FYUG/Sem-4/AM-CE1

# 2026
## (Regular)
## Assamese (Core)
## Paper Code : AM-CE-4214
## Paper Name : অসমীয়া কবিতা

*Time : 2½ hours* *Full Marks : 60*

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×৭=৭

ক) 'শৰৎ বৰ্ণনা' কবিতাটো মূল কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে ?

খ) নাগেশ্বৰ ফুলক কোন নৃপতিৰ দণ্ড বুলি কোৱা হয় ?

গ) দুৰ্গাবৰ কোন যুগৰ কবি ?

ঘ) নলিনীবালা দেৱীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰা গ্ৰন্থখনৰ নাম কি ?

ঙ) অসমীয়া ভাষাত ৰচিত প্ৰথম 'চনেট'টো কি ?

চ) 'মোৰ আৰু পৃথিৱীৰ' কবিতাপুথিখনৰ ৰচক কোন ?

ছ) নীলমণি ফুকনৰ প্ৰথম কাব্য-পুথিখনৰ নাম লিখা ।

২। চমুকৈ উত্তৰ লিখা ঃ ২×৪=৮

ক) চিত্ৰকূটৰ চিত্ৰ কবিতাটিত চিত্ৰকূট পৰ্বতৰ বৰ্ণনা কোনে কাৰ আগত দিছিল ?

খ) পাঁচালী সাহিত্যৰ দুগৰাকী কবিৰ নাম লিখা ।

গ) চনেট কবিতাৰ দুটা বিশেষত্ব লিখা ।

ঘ) ৰোমাণ্টিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা *(যিকোনো তিনিটা)* ঃ ৫×৩=১৫

ক) চাৰি আশ্ৰম বুলিলে কি বুজা ? চমুকৈ লিখা ।

খ) 'চিত্ৰকূটৰ চিত্ৰ'ত প্ৰকাশ পোৱা অসমীয়া ফল-ফুলৰ বিষয়ে চমুকৈ লিখা ।

Contd..

গ) অসমীয়া পাঁচালী সাহিত্যত দুর্গাবৰ স্থান নিৰূপণ কৰা ।

ঘ) 'পলস' কবিতাটোৰ মূলভাৱ চমুকৈ লিখা ।

ঙ) বাই তোৰ আখলৰ
লাওৰ খোলাত সাঁচ দিন
- কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা ।

চ) 'মনোৰমা' কবিতাটোত প্ৰেমসুষমা কেনেদৰে প্ৰকাশ পাইছে চমুকৈ লিখা ।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

ক) শৰৎ বৰ্ণনা কবিতাটোত শৰৎকালৰ প্ৰকৃতিৰ মনোৰম ৰূপ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা ।

খ) 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটোৰ মাজেৰে প্ৰকাশ পোৱা কবি শংকৰদেৱৰ কাব্য প্ৰতিভাৰ এটি আলোচনা আগবঢ়োৱা ।

গ) হেমচন্দ্ৰ গোস্বামীৰ 'প্ৰিয়তমাৰ চিঠি' কবিতাটোত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্যৰ বিষয়ে এটি লেখা প্ৰস্তুত কৰা ।

ঘ) 'দ্ৰৌপদী' কবিতাটোত নাৰীমনৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা ।

ঙ) আধুনিক অসমীয়া কবিতাৰ প্ৰতীক আৰু চিত্ৰকল্পৰ বিষয়ে এটি আলোচনা দাঙি ধৰা ।

চ) 'কুকুৰ' কবিতাটোত আধুনিক প্ৰগতিশীল কবিতাৰ বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা ।

■■■